# অহংকাৰ

**প্ৰশ্ন ১। খৰালি দিনত ধূলিকণাবােৰ বতাহত উৰি উৰি ক’ত ক’ত পৰে ?**

**উত্তৰঃ** খৰালি দিনত ধূলিকণাবােৰ বতাহত উৰি উৰি ফুলৰ পাহি , গছ – লতা , তৃণ , ঘৰ – বাৰী আদিত পৰাৰ উপৰি ৰজা – মহাৰজা , সাধু – মহন্তৰে মূৰত পৰে ।

**প্ৰশ্ন ২। ধূলি কণিকাৰ চিন – চাব কেতিয়া মাৰ যায় ?**

**উত্তৰঃ** বৰষুণ পৰিলে ।

প্ৰশ্ন ৩। “ সৰু-বৰ কাকো নামানে সমূলি

নকৰে একোকে ভয় ।

ৰজা-মহাৰজা সাধুমহন্তৰাে

শিৰৰ ভূষণ হয় । ”

— ইয়াত সৰু-বৰ কাকো নমনা , একোকে ভয় নকৰা বুলি কাৰ কথা কোৱা হৈছে ? ‘ শিৰৰ ভূষণ হয় ’ বুলি কি বুজোৱা হৈছে ?

**উত্তৰঃ** বতাহত উৰা ধূলিকণাৰ কথা কোৱা হৈছে । শিৰৰ ভূষণ ’ — মানে হৈছে – মূৰৰ অলংকাৰ । ৰজা – মহাৰজাসকলে অলংকাৰ হিচাবে মূৰত মুকুট পিন্ধে , সাধু মহন্তসকলে পাগুৰি মাৰে । কিন্তু খৰালিকালত বতাহত উৰি অহা ধূলিকণা ৰজা মহাৰজা , সাধু – মহন্তৰ মূৰত পৰি সেই ধূলিকণাবােৰেই তেওঁলাােকৰ শিৰৰ ভূষণ হৈ পৰে।

**প্ৰশ্ন ৪। তলৰ শব্দবােৰৰ বহুবচন ৰূপ লিখা –**

ধূলিকণা , পাহি , ধূলি , সাধু-মহন্ত , গছ – লতা , সি , তেওঁ , আপুনি

**উত্তৰঃ**

| **একবচন** | **বহুবচন** |
| --- | --- |

| | |
|---|---|
| ধূলিকণা | ধূলিকণাবোৰ |
| পাহি | পাহিবোৰ |
| ধূলি | ধূলিবোৰ |
| সাধু-মহন্ত | সাধু – মহন্তসকল |
| গছ – লতা | গছ – লতাবোৰ |
| সি | সিহঁত |
| তেওঁ | তেওঁলোক |
| আপুনি | আপোনালোক |

**প্ৰশ্ন ৫। তলৰ শব্দবোৰ প্ৰয়োগ কৰি খালী ঠাই পূৰ কৰা –**

( তৰু – তৃণ , ঘৰ-বাৰী , চিন – চাব , অতি ক্ষুদ্ৰ , বতাহত উৰে , নিকা, তেনিয়েই ধূলিময় )

( ক ) ধূলিকণাবোৰ ………. ………….. চকুৰে মনিব নোৱাৰি ।

**উত্তৰঃ** ধূলিকণাবোৰ অতি ক্ষুদ্ৰ , চকুৰে মনিব নোৱাৰি ।

( খ ) ধূলিকণাবোৰ দশোদিশ জুৰি ………… ……………।

**উত্তৰঃ** ধূলিকণাবোৰ দশোদিশ জুৰি বতাহত উৰে।

( গ ) খৰালি দিনত যেনিয়েই চোৱা ………….. …………….।

**উত্তৰঃ** খৰালি দিনত যেনিয়েই চোৱা তেনিয়েহ ধূলিময় ।

( ঘ ) খৰালি দিনত ……………. …………….. ধূলিৰে উপচি পৰে ।

**উত্তৰঃ** খৰালি দিনত তৰু – তৃণ , ঘৰ – বাৰী ধূলিৰে উপচি পৰে ।

( ঙ ) বৰষুণ পৰিলে ধূলিৰ ……………. নাইকিয়া হয় ।

**উত্তৰঃ** বৰষুণ পৰিলে ধূলিৰ চিন – চাব নাইকিয়া হয় ।

( চ ) বৰষুণ পৰিলে গছ-লতা ………………..হয় ।

**উত্তৰঃ** বৰষুণ পৰিলে গছ – লতা নিকা হয় ।

**প্ৰশ্ন ৬। তলত দিয়া শব্দবা◌েৰ অৰ্থ লিখা –**

গপ , ওফনা , ভূষণ , বিৰিখ , নিকা , খৰালি

**উত্তৰঃ**

| **শব্দ** | **অৰ্থ** |
|---|---|
| গপ | ভেম |
| ওফনা | ফুলি উঠা |
| ভূষণ | অলংকাৰ |
| বিৰিখ | বৃক্ষ , ডাঙৰ গছ |
| নিকা | চাফা |
| খৰালি | খৰাং |